**14 (ASM–3) 3066**

**2021**

**( Held in 2022 )**

## ASSAMESE

Paper : ASM–3066

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমু উত্তৰ দিয়া ঃ (*এটা* শব্দ বা বাক্যত) ১×১০=১০

(ক) বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ উপভাষা কেইটা বুলি উল্লেখ কৰিছিল?

(খ) উপেন্দ্ৰনাথ গোস্বামীয়ে অসমীয়া ভাষাৰ কোনটো উপভাষাৰ বিষয়ে অধ্যয়ন কৰি পি.এইচ.ডি. ডিগ্ৰী লাভ কৰিছিল?

(গ) ISOGLOSS শব্দটো প্ৰথমে কোনে প্ৰয়োগ কৰিছিল?

(ঘ) ভাষাবিজ্ঞানৰ কোনটো শাখাত সামাজিক প্ৰসংগত ভাষাৰ অধ্যয়ন কৰা হয়?

(ঙ) কোনটো কাৰকে মৰিয়াসকলৰ ভাষাক অন্য ভাষা-সম্প্ৰদায়ৰপৰা পৃথক কৰিছে?

(চ) বৈদ্যুতিন মাধ্যমত ব্যৱহৃত অসমীয়া ভাষাত বাৰ্ত্তা-মিশ্ৰণ (Code-Mixing)-ৰ প্ৰৱণতা বেছি। — কথাষাৰ শুদ্ধ *নে* অশুদ্ধ।

(ছ) 'কৈৱৰ্ত্ত' শব্দটোৰ বুৎপত্তিগত অৰ্থ কি?

(জ) ৰাভামিজত মান্য অসমীয়াৰ নিম্ন-সম বিবৃতৌষ্ঠ্য /এ'/ ধ্বনিৰ ঠাইত কি ধ্বনি ব্যৱহাৰ হয়?

(ঝ) মান্য অসমীয়াৰ কিমানটা বিশিষ্ট ব্যঞ্জনধ্বনি মিচিং-অসমীয়া ভাষাত ৰক্ষিত হৈছে?

(ঞ) 'সাদানি' কোন শ্ৰেণীৰ ভাষিক ৰূপ।

২। চমু উত্তৰ দিয়া ঃ ২×১০=২০

(ক) মৰিয়াসকলৰ ভাষাৰ *দুটা* ধ্বনিতাত্ত্বিক বিশেষত্ব লিখা।

(খ) উপভাষাৰ ক্ষেত্ৰ অধ্যয়নত অনুসন্ধানকাৰীয়ে সামগ্ৰী-দাতা নিৰ্বাচনত গুৰুত্ব দিবলগীয়া *দুটা* বিষয় উল্লেখ কৰা।

(গ) দ্বিপাৰ্শ্বীয় ভাষিক পৰিস্থিতিৰ *দুটা* বৈশিষ্ট্য লিখা।

(ঘ) দৰঙী উপভাষাত বহুবচন নিৰ্দেশ কৰাৰ *দুটা* উপায় লিখা।

(ঙ) মিচিং-অসমীয়া উপভাষাত অসমীয়া ভাষাত নথকা কোন *দুটা* স্বৰধ্বনি উচ্চাৰিত হয়?

(চ) ৰাভামিজ ভাষাৰ ব্যঞ্জনধ্বনি কেইটা আৰু কি কি?

(ছ) সামাজিক মাধ্যমত ব্যৱহৃত ৰোমান লিপিত লিখিত অসমীয়া ভাষাৰ *দুটা* বৈশিষ্ট্য লিখা।

(জ) গোৱালপৰীয়া উপভাষাত পুংলিংগবাচক শব্দক স্ত্রীলিংগবাচক ৰূপলৈ পৰিৱৰ্তিত কৰাৰ *দুটা* পদ্ধতি উদাহৰণসহ লিখা।

(ঝ) কামৰূপী উপভাষাৰ স্থানীয় ৰূপসমূহ কি কি?

(ঞ) কোনে প্ৰথমে Diglossia শব্দটো ব্যৱহাৰ কৰিছিল? এই শব্দটো কোন ভাষাৰ পৰা আহিছে?

৩। চমুকৈ লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) দ্বিপাৰ্শ্বিকতা

(খ) মৰিগএগ্ৰা উপভাষা

(গ) ভাষা আৰু অৰ্থনৈতিক ব্যৱস্থা

(ঘ) হাজং-অসমীয়া উপভাষা

(ঙ) বৈদ্যুতিন মাধ্যমৰ অসমীয়া ভাষা আৰু সংকৰীকৰণ

(চ) জাতিগত উপভাষা

৪। ৰচনাধৰ্মী উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১০×৩=৩০

(ক) উপভাষা সীমা নিৰ্দ্ধাৰকৰ সহায়ত আঞ্চলিক ভিন্নতা কিদৰে নিৰ্ণয় কৰিব পাৰি, অসমীয়া ভাষাৰ আধাৰত বিচাৰ কৰা। ১০

(খ) সামাজিক উপভাষা অধ্যয়নৰ পদ্ধতি সম্পৰ্কে বিশ্লেষণ কৰা। ১০

(গ) অসমৰ কৈৱৰ্তসকলৰ ভাষা সন্দৰ্ভত এটি আলোচনা যুগুত কৰা। ১০

(ঘ) কোনবোৰ দিশত বৈদ্যুতিন মাধ্যমৰ ভাষা ছপা মাধ্যমৰ অসমীয়া ভাষাতকৈ পৃথক বুলি তুমি ভাবা? বিশ্লেষণ কৰা। ১০

(ঙ) কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ১০

(চ) ৰাভামিজ ভাষা সন্দৰ্ভত এটি নিবন্ধ প্ৰস্তুত কৰা। ১০